# পঞ্জীয়কৰ কাৰ্যালয়
## মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়
## মাজুলী, অসম

No. MUC/SVC-40/20-21/ 607 Dated 18/08/2021

বিশ্বৰ বৃহত্তম নদীদ্বীপ, বৈষ্ণৱ সংস্কৃতিৰ পীঠস্থান মাজুলী। অসমৰ বৰ্ণাঢ্য ভাষা-সংস্কৃতি-লোককৃষ্টি আদিৰ বিজ্ঞানসন্মত অধ্যয়ন আৰু গৱেষণাৰ মহৎ উদ্দেশ্যৰে মাজুলীত স্থাপন কৰা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ে ইয়াৰ উপাচাৰ্য পদৰ বাবে যোগ্য প্ৰাৰ্থীৰ সন্ধান কৰিছে। যিহেতু ভাষা, সাহিত্য, সংস্কৃতি আৰু এইবোৰৰ লগত সম্পৰ্কীয় বিষয়ত শিক্ষা, অধ্যয়ন, চৰ্চা, গৱেষণা আৰু এই সমূহ বিষয়ৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংবৰ্দ্ধনৰ বাবে উক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে সেয়েহে উপাচাৰ্য পদৰ বাবে এজন খ্যাতিসম্পন্ন পণ্ডিত আৰু উল্লেখিত বিষয়ৰ ওপৰত বিশেষ বৰঙণি থকা ব্যক্তিৰ পৰা আবেদন আহ্বান কৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিধি অনুযায়ী যোগ্য আৰু ইচ্ছুক প্ৰাৰ্থীয়ে তেওঁলোকৰ যোগ্যতাৰ বিৱৰণ আৰু ভৱিষ্যদৰ্শন বক্তব্য তলত উল্লেখ কৰা ঠিকনাত ই-মেইল (Editable Word File) আৰু ডাকযোগে প্ৰেৰণ কৰিব লাগিব।

- **সচিব,**

**ৰাজ্যপাল সচিবালয়**
**ৰাজভৱন, গুৱাহাটী-৭৮১০০১**
**Email:** govesecassam@gmail.com
rajbhavan-assam@gov.in

এই পদৰ যোগ্যতাৰ সবিশেষৰ বাবে প্ৰাৰ্থীয়ে www.muoc.ac.in ৱেবচাইট চাব পাৰে। প্ৰাৰ্থীৰ বয়স ৩০ ছেপ্টেম্বৰ, ২০২১ ত ৬৫(পয়ষষ্ঠি) বছৰৰ বেছি হ'ব নালাগিব। আবেদন গ্ৰহণৰ শেষ তাৰিখ ৩০ ছেপ্টেম্বৰ, ২০২১।

পঞ্জীয়ক
মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়